# নীলকণ্ঠী ব্ৰজত প্ৰতিফলিত বৈধৱ্য যন্ত্ৰণা

*ড° সবিতা কলিতা*

**আৰম্ভণি ঃ** সাম্প্ৰতিক কালৰ ঔপন্যাসিকসকলৰ ভিতৰত মামণি ৰয়ছম গোস্বামীয়ে কঠিন বাস্তৱ আৰু নাৰী জীৱনৰ গভীৰ সমস্যালৈ দৃষ্টিপাত কৰি বহুসংখ্যক উপন্যাস ৰচনা কৰিছে। অসমীয়া নাৰী সাহিত্যিকসকলৰ ভিতৰত নিজ প্ৰতিভাৰে মামণি ৰয়ছম গোস্বামীয়ে এক বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হৈছে। চুটি গল্পৰ ৰচনাৰে সাহিত্য জগতত আত্মপ্ৰকাশ কৰিলেও সপ্তৰৰ দশকত উপন্যাসৰ ক্ষেত্ৰলৈ তেওঁৰ উত্তৰণ ঘটে। তেওঁৰ উপন্যাসমূহত নাৰী মংগল, নাৰী মুক্তি আৰু নাৰীবাদী চেতনা দেখা পোৱা যায়। বিধৱা নাৰীৰ মৰ্মস্পৰ্শী বেদনাৰ ছবি তেওঁৰ উপন্যাসত বিদ্যমান। তেওঁৰ বহুসংখ্যক উপন্যাসত নাৰীৰ বিভিন্ন অৱস্থাৰ নিখুত ছবি দাঙি ধৰিছে যদিও 'নীলকণ্ঠী ব্ৰজ' (১৯৭৬) আৰু 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' (১৯৮৮) এই দুয়োখন গ্ৰন্থ যেন বিধৱাৰ জীৱনৰ কৰুণ গাথাৰ দুখন জীৱন্ত দলিলহে।

১৯৭৬ চনত লিখা নীলকণ্ঠী ব্ৰজ নামৰ উপন্যাসখনিত পোনপ্ৰথমবাৰ প্ৰতিফলিত হৈছে বৃন্দাবনৰ এক কুৎসিত ছবি। উপন্যাসৰ নায়িকা সৌদামিনীৰ লগতে ব্ৰজবাসী ৰাধেশ্যামীসকলৰ জীৱন সংগ্ৰাম সুন্দৰভাৱে বৰ্ণিত হৈছে এই নীলকণ্ঠী ব্ৰজত।

**নীলকণ্ঠী ব্ৰজৰ কাহিনীভাগ**

উপন্যাসখনিৰ নায়িকা সৌদামিনী এগৰাকী গাভৰু বিধৱা। স্বামীৰ মৃত্যুৰ পাছত এজন খ্ৰীষ্টান যুৱকেৰে সৈতে তেওঁৰ প্ৰেমৰ সূত্ৰপাত হোৱা কথাটো তেওঁৰ ৰক্ষণশীল পৰিয়ালে মানি ল'ব পৰা নাছিল। সেয়ে তাইৰ চৰিত্ৰৰ সংশোধনৰ বাবে মাক-দেউতাকে হিন্দু বিধৱা নাৰীৰ আশ্ৰয়স্থলী ব্ৰজধামলৈ লৈ যায়। ব্ৰজধামৰ ৰাধেশ্যামীসকলৰ দুখ-দুৰ্দশা, দাৰিদ্ৰ আদিৰ সৈতে সৌদামিনীৰ লাহে লাহে পৰিচয় হ'ব ধৰে। প্ৰথম অৱস্থাত দেউতাকৰ চিকিৎসালয়তখনত দেউতাকৰ সৈতে দুখীয়া, দৰিদ্ৰসকলৰ শুশ্ৰূষাত ব্যস্ত থাকে যদিও কিছুদিন পাৰ হোৱাত তাইৰ মনৰ অশান্তিবোৰে তাইক হেঁচুকি ধৰিব ধৰে। খ্ৰীষ্টান যুৱকজনৰ সৈতে হোৱা প্ৰেমৰ স্মৃতিয়ে তাইক ভাৰাক্ৰান্ত কৰি তোলে। যি ব্ৰজধামলৈ মানুহে শান্তি বিচাৰি আহে, সেই ব্ৰজধামে সৌদামিনীক শান্তিৰ পৰিৱৰ্তে দুখহে দিলে। অৱশেষত তাই যমুনাৰ বুকুত আত্মত্যাগ কৰে।

### উপন্যাসখনত প্ৰতিফলিত বৈধব্য যন্ত্ৰণা

নীলকণ্ঠী ব্ৰজ উপন্যাসখনিৰ আৰম্ভণিৰ পৰা শেষলৈকে মূল চৰিত্ৰ সৌদামিনীৰ পুঞ্জীভূত হৃদয়ৰ বেদনাৰ মূৰ্ত প্ৰকাশ ঘটিছে। সেই বেদনাই স্পৰ্শ কৰে সচেতন পাঠকৰ অন্তৰ। আনহাতে ব্ৰজধামত বাস কৰা দৰিদ্ৰ বিধৱা যাক ৰাধেশ্যামী বুলি জনা যায় তেওঁলোকৰ সকৰুণ চিত্ৰখনিও লেখিকাই সমান্তৰালভাৱে উপস্থাপন কৰিছে। সদ্য বিধৱা, আৰু তাৰ পাছত এজন খ্ৰীষ্টান যুৱকৰ প্ৰেমত পৰা সৌদামিনীক ব্ৰজৰ পৰিৱেশে মুঠেও পৰিৱৰ্তন কৰিব নোৱাৰিলে। দিনে দিনে তাইৰ মন এক গভীৰ দুখানুভূতিয়ে আৱৰি ধৰিলে। তাইৰ শৰীৰ ভাঙি পৰিব ধৰিলে আৰু চকুৰ তলতো ক'লা দাগ পৰিল। পিতৃ-মাতৃয়ে ভবাৰ দৰে ব্ৰজধামত তাইৰ মন পৰিৱৰ্তন নহ'ল। খ্ৰীষ্টান যুৱকজনৰ প্ৰেমানুভূতিয়ে আৱৰি ধৰিলে তাইৰ সমগ্ৰ সত্তা। বৃন্দাবনৰ চিকিৎসালয়ত কৰা ৰোগী আৰু ব্ৰজৰ ধৰ্মীয় পৰিৱেশত শান্তি নাপাই পিতৃ-মাতৃক তাই এইদৰে চিঞৰি কৈছে— 'মোৰ গোটেই জীৱনটো মই এনেদৰে আনৰ দয়াপৰৱশ হৈ কটাব নোৱাৰো— মই মহীয়সী নহও যে তোমালোকৰ দৰে জনকল্যাণমূলক কাম কৰি মই মোৰ গোটেই জীৱন অতিবাহিত কৰিব পাৰিম। মই স্বাধীন। মই কাকো ভয় নকৰো.... তোমালোকে যদি মই সলনি হোৱা বুলি ভাবিছা তেতিয়াহ'লে......' (নীলকণ্ঠী ব্ৰজ, পৃঃ ৫৪)। কেতিয়াবা সৌদামিনী অসহায় হৈ যমুনাৰ পাৰে ঘূৰি ফুৰিছে; ৰুক্ষ চুলি, অসংযত সাজপাৰেৰে বলিয়া মানুহৰ দৰে। সৌদামিনী এগৰাকী গাভৰু বিধৱা। কিন্তু তাই মানি ল'ব বিচৰা নাই বিধৱাৰ দৰে জীৱন-যাপন। ব্ৰজধামৰ দুখীয়া লাঞ্ছিতসকলৰ প্ৰতি তাইৰো সমবেদনা আছে, পথৰ পৰা বুটলি অনা কুষ্ঠৰোগীক তাই চোৱাচিতা কৰিছে পিতৃৰ সৈতে, তথাপি এইবোৰৰ মাজতে জীৱনটো শেষ কৰি দিয়াৰ ইচ্ছা তেওঁৰ নাই। শিল্পী চন্দ্ৰভানুৱে যেতিয়া তাইক ক্ষুদ্ৰ স্বাৰ্থ ত্যাগ কৰি চিকিৎসালয়ৰ ভাৰ লৈ মহীয়সী হোৱাৰ কথা কৈছে, তেতিয়া সৌদামিনীয়ে কৈছে— 'তেনে এক উচ্চ মনৰ যদি মই এতিয়াৰে পৰা অধিকাৰী হ'লোহেঁতেন হয়তো এই দুৰ্দশা আৰু মানসিক অস্থিৰতাই মোক কুৰুকি কুৰুকি নেখালেহেঁতেন। বিশ্বাস কৰক, মই সেই মাটিৰ তিৰোতা যাৰ দেহ-মন এতিয়াও ধূলি-মাকতিৰে ধূসৰিত হৈ আছে।' (নীলকণ্ঠী ব্ৰজ, পৃ. ৭৬)।

বৃন্দাবনৰ পৰিৱেশে সৌদামিনীৰ জৈৱিক স্পৃহাৰ তৰংগৰাশিৰ কোনো পৰিৱৰ্তন সাধিব পৰা নাই। তাইৰ স্বামীৰ মৃত্যুৰ যন্ত্ৰণা সময়ে লাহে লাহে লাহে উপশম ঘটাইছে আৰু স্বামী সুব্ৰতৰ ঠাই লৈছে তাইৰ খ্ৰীষ্টান প্ৰেমিকজনে। স্বামী সুব্ৰতৰ মুখখনি স্মৃতিৰ মণিকোঠত বিবৰ্ণ আৰু নিষ্প্ৰভ হৈ পৰিছে আৰু সূৰ্যৰ দৰে ভাস্বৰ হৈ উঠিছে অইন এখন মুখ। তাইৰ সমস্ত ভাৱনা সমস্ত চিন্তা ধাৱিত হৈ পৰিছে সেই এটি উৎসক উদ্দেশ্য কৰি, সেইজনেই হৈছে খ্ৰীষ্টান প্ৰেমিকজন।

উপন্যাসখনৰ শেষৰ ফালে সৌদামিনীৰ পিতৃয়ে তাইক খবৰ দিছে খ্ৰীষ্টান যুৱকজন অহা বুলি। খ্ৰীষ্টান বন্ধুজন আহি ঘাটৰ ওচৰত সৌদামিনীৰ বাবে অপেক্ষা কৰি আছিল। মাতৃ অনুপমাই খ্ৰীষ্টান যুৱকজন আহিব বুলি মনতে ভয় পুহি ৰখাৰ বিপৰীতে পিতৃ তাইৰ প্ৰতি সহানুভূতিশীল হৈ উঠিছে। অন্ধকাৰ অমাৱস্যাৰ ৰাতি পিতৃ ৰায়চৌধুৰীয়ে সৌদামিনীক আগবঢ়াই লৈ গৈছে যমুনাৰ ঘাটলৈ, প্ৰেমিকক লগ কৰাবলৈ। সেই গোমা অমাৱস্যাৰ নিশা সৌদামিনীৰ বহু আকাংক্ষিত সময় যেন আহি পাইছিল। প্ৰেমিকৰ সৈতে একেলগে ওচৰা-ওচৰিকৈ বহি সৌদামিনীয়ে কৈছে — 'তোমাৰ বাহিৰে এই পৱিত্ৰ ভূমিত মোক একোৱেই আকৰ্ষণ কৰা

নাই... মোৰ সকলো পুৰণি স্মৃতি ধূলিৰে ধূসৰিত হৈ পৰিছে।' (নীলকণ্ঠ ব্ৰজ, পৃ. ১২১)। তাই যেন সেই ৰাতিটোৰ বাবেই ইমান দিন আগ্ৰহেৰে বাট চাই আছিল। তাই নিজকে সংযত কৰি ৰাখিব নোৱাৰিলে। নৈপৰীয়া কোমল মাটিৰ দৰে প্ৰেমিকৰ বুকুত খহি পৰিল। প্ৰেমিকৰ সৈতে নিবিড় আলিংগনত তাই অনুভৱ কৰিলে তাইৰ মৃত স্বামী আৰু খ্ৰীষ্টান প্ৰেমিকৰ দেহৰ উমৰ যেন কোনো পাৰ্থক্য নাই। সৌদামিনীয়ে পুৰণি পৃথিৱীখন নকৈ চাবলৈ চেষ্টা কৰিছিল সেয়ে ৰক্ষণশীলতাৰ মাজত থাকি অন্তৰ্দ্বন্দত ভুগিছে। অথচ ৰক্ষণশীলতাৰ জৰীডাল ছিঙাৰ সাহসো তাইৰ নাই। সেয়েহে প্ৰেমিক যুৱকজনক উভতি যাবলৈ দি মনৰ বেজাৰত সৌদামিনীয়ে শেষত যমুনাত জাপ দি আত্মহত্যা কৰিলে। অকলে সমাজ ব্যৱস্থাৰ বিৰুদ্ধে যুঁজ দিয়াৰ শক্তি সৌদামিনীৰ নাই, মৃত্যুৰেই সৌদামিনীয়ে নাৰকীয় বৈধব্য ব্যৱস্থাৰ বিৰুদ্ধে প্ৰতিবাদ কৰি গ'ল।

'মামণি ৰয়ছম গোস্বামীৰ নীলকণ্ঠী ব্ৰজ উপন্যাসখনৰ আন এটা প্ৰধান দিশ হ'ল ৰাধেশ্যামীসকল। ব্ৰজধাম হৈছে বহু বিধৱাৰ শেষ আশ্ৰয়স্থল। 'ৰাধ্যে শ্যাম, ৰাধে শ্যাম' ধ্বনিৰে ভজন গাই ফুৰি দুবেলা-দুমুঠি সংগ্ৰহ কৰা ব্ৰজৰ বিধৱা নাৰীসকলেই হৈছে ৰাধেশ্যামী। এইসকলৰ সৰহভাগেই বংগৰ পৰা অহা। কিছুসংখ্যকে বিধৱা হোৱাৰ পাছত ভক্তি ভাৱত ব্ৰজধামলৈ আহে যদিও বেছিভাগেই পাৰিবাৰিক অশান্তিত থাকিব নোৱাৰি অহা। বৃন্দাবনৰ পাৰৰ বাহৰ দৰে ভগ্ন সৰু সৰু কোঠাবোৰত বাস কৰে জাক জাক ৰাধেশ্যামী। সিহঁতৰ অস্থি-চৰ্মসাৰ দেহ, গাত বিবৰ্ণ মলিয়ন ধুতি আৰু কঁপালত দগমগাই থাকে বিভূতি আৰু চন্দনৰ ৰেখাৰ সমাৰোহ। সিহঁতৰে বহুতে আকৌ কুষ্ঠ ৰোগত আক্ৰান্ত। সিহঁতে ভজন গাই পোৱা পইচাৰ এটা অংশ জমা কৰি থয় মৃত্যুৰ পাছত দাহক্ৰিয়া কৰ্মৰ বাবে। এই পইচা নাথাকিলে সিহঁতক কোনেও থকা ঠাই অৰ্থাৎ 'খুপৰি' দিব নোখোজে। ব্ৰজধামত ৰাধেশ্যামীসকলৰ বাবে নাছিল নিৰাপত্তা, নাছিল সুলভ আহাৰ। এমুঠি আহাৰৰ বাবে টলৌটলৌকৈ মন্দিৰৰ দুৱাৰে দুৱাৰে ভজন গাই ফুৰা কৰুণ দৃশ্য উপন্যাসত অতি জীৱন্ত ৰূপত ধৰা দিছে।

বৃন্দাবনৰ পাণ্ডাসকলৰ পৰা ৰাধেশ্যামীসকলে ভোগ কৰিব লগা হৈছিল অবৰ্ণনীয় শাৰীৰিক আৰু মানসিক অত্যাচাৰ। মৃত্যুৰ পাছত দেহ সৎকাৰৰ বাবে পাণ্ডাসকলক খাটনি ধৰিব লগা হয়, আৰু সেই সুযোগতে পাণ্ডাসকলেও সিহঁতৰ যি সাঁচতীয়া অলপ অচৰপ থাকে তাক আগতেই হস্তগত কৰে। মৃত্যুৰ পাছতো সিহঁতৰ দেহৰ-নগুৰ নাগতি অৱস্থা। তেনে এক অতি কৰুণ দৃশ্য সৌদামিনীয়ে ব্ৰজত বাস কৰিবলৈ লোৱাৰ প্ৰথমদিনাই দেখিবলৈ পায়। এক অতি মৰ্মান্তিক দৃশ্য— সেয়া সন্মুখত এটি মৃতদেহ লৈ বহি আছে কেইজনীমান ৰাধ্যেশ্যামী; কন্দা-কটা কৰা নাই। মৃতদেহটো এগৰাকী লগৰ বৃদ্ধা ৰাধেশ্যামীৰ। বৰ অসহায় হৈ আঁঠুত মূৰ গুজি সিহঁত বহি আছে। হঠাৎ দৈত্যাকৃতিৰ পাণ্ডা এজন যমদূতৰ দৰে আহি মৃত বুঢ়ীজনীয়ে ব্যৱহাৰ কৰা বস্তুবোৰ লণ্ড ভণ্ড কৰিলে একো নাপাই মৃতকৰ অস্থি, চৰ্মসাৰ -নিৰ্জীৱ দেহটি খেপিয়াব ধৰিলে— সোণৰ বা ৰূপৰ মাদুলী কৰবাত পোৱাৰ আশাৰে। এবাৰ কিবা এটি পোৱা বুলি টান মাৰি দিলত বুঢ়ীৰ কঁকালটি উলংগ হৈ খাটিয়াৰ ওপৰত হামখুৰি খাই পৰিল। মানৱতা আৰু জীৱনৰ প্ৰতি ভ্ৰূকুটি দেখুৱাই থকা নগ্ন দেহটো দেখি সৌদামিনীৰ নাকৰ পাহি দুটা কঁপি উঠিল। বুঢ়ীৰ পৰা একো নাপাই সেই পাণ্ডাজনে মৃতদেহটো মৰা পেলোৱা মানুহ আহি চোঁচৰাই যমুনাত পেলাই থৈ আহিব বুলি কৈ গুচি গৈছিল।

ৰাধেশ্যামীসকলৰ ভিতৰত কিছুমান কম বয়সীয়া ৰাধেশ্যামীও আছে। সিহঁতৰ কিছুমানে নিজৰ নিৰাপত্তাৰ

বাবে পূজাৰী একোজনৰ কাম-কাজ কৰি সেই পূজাৰীৰ লগতে থাকিবলৈও লয়। উপন্যাসখনৰ শশী নামৰ এনে এগৰাকী ৰাধেশ্যামীক আমি দেখা পাও। ৰাধেশ্যামীসকলৰ ওপৰত বহু সময়ত যৌন অত্যাচাৰ চলিছে। আনকি বৃদ্ধা ৰাধেশ্যামীও হাত সাৰি নাযায় ব্ৰজৰ সেই ৰাক্ষসসকলৰ হাতৰ পৰা। ধৰ্মৰ নামত স্ত্ৰী-সংশ্ৰৱৰ বীভৎস কাণ্ড অহৰ্নিশে চলি থাকে পৱিত্ৰ ব্ৰজধামৰ বুকুত।

**সামৰণি ঃ** ব্ৰজধামৰ ধৰ্মীয় দিশটোৰ লগতে সামাজিক অৰ্থনৈতিক দিশক সাঙুৰি লোৱা মামণি ৰয়চম গোস্বামীৰ নীলকণ্ঠী ব্ৰজ সম্পূৰ্ণভাৱে এখন বাস্তৱবাদী উপন্যাস। যি পৱিত্ৰভূমি ব্ৰজলৈ বিধৱা নাৰীসকলে মোক্ষ বিচাৰি আহে, সেই ভূমিতে লুকাই আছে হিংসা, অভাৱ-অনাটন, যৌন উৎপীড়নৰ সন্ত্ৰাস। ব্ৰজধামৰ এক ক'লা অধ্যায় উন্মোচিত হৈছে নীলকণ্ঠী ব্ৰজত। যি দৰিদ্ৰ ৰাধেশ্যামীসকল জীৱিতকালত অনাহাৰে থাকি মন্দিৰৰ দুৱাৰে দুৱাৰে 'ৰাধেশ্যাম' উচ্চাৰণেৰে ভজন গাই ফুৰে, অন্ধকাৰ খুপৰিত দুখ-কষ্ট বাস কৰি দুপইচা সাঁচে মৃত্যুৰ পিছৰ ক্ৰিয়া-কৰ্মৰ বাবে, সেই ৰাধেশ্যামীসকলৰ প্ৰায়ভাগে মৃত্যুৰ পাছতো ভোগ কৰিব লগা হয় কেৱল অনাদৰ-অৱহেলা। আনহাতে নায়িকা সৌদামিনীৰ যোগেদি লেখিকাই প্ৰকাশ কৰিছে কম বয়সীয়া বিধৱা নাৰীৰ অন্তৰৰ পুঞ্জীভূত ক্ষোভ, বেদনা। কেৱল নাৰী হৈ জন্মা বাবে নাৰীয়ে ভোগ কৰিব লগা হয় অপৰিসীম যন্ত্ৰণাৰ বোজা। গাভৰু বিধৱা এগৰাকীৰ যৌনতাৰ সাহসী উপস্থাপনো উপন্যাসখনিত কৰা হৈছে। শেষত ইয়াকে ক'ব পাৰি যে মামনি ৰয়ছম গোস্বামীয়ে সমাজৰ অৱহেলিত নাৰী চৰিত্ৰক তেওঁৰ উপন্যাসত স্থান দি পোহৰলৈ আনিছে।

**সহায়ক গ্ৰন্থ ঃ**


(১) গোস্বামী মামণি ৰয়ছম— **আধালেখা দস্তাবেজ**, প্ৰথম প্ৰকাশ, ১৯৮৮

(২) গোস্বামী মামণি ৰয়ছম— নীলকণ্ঠী ব্ৰজ, পঞ্চম প্ৰকাশ, ২০১১

(৩) ভট্টাচাৰ্য গায়ত্ৰী— The Blue Naked God of Indira Goswami, 1st Edition, 2013.